জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫১/২০২১

# ৰাজ্য চৰকাৰৰ প্ৰতিটো বিভাগৰ কৰ্মচাৰীয়ে এদিনৰ মূল দৰমহা ক'ভিড-১৯ টীকাকৰণ অভিযানৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্যপুঁজি / অসম আৰোগ্য নিধিলৈ বৰঙনি হিচাপে আগবঢ়াব

## সদৌ অসম কৰ্মচাৰী পৰিষদে অৱগত কৰিলে মুখ্যমন্ত্ৰীক

## কৰ্মচাৰী পৰিষদৰ এই সিদ্ধান্তক আদৰণি জনালে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৪ মে' ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় প্ৰতিনিধি দলে আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কক্ষত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি ক'ভিড যুঁজত সকলো ধৰণৰ সহায়- সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে।

কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধি দলে মুখ্যমন্ত্ৰীক অৱগত কৰে যে স্বাস্থ্য বিভাগৰ সকলো পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকলে যিহেতু ক'ভিড যুঁজত দিনে-নিশাই নিয়োজিত হৈ আহিছে সেয়েহে তেওঁলোকৰ বাহিৰে ৰাজ্য চৰকাৰৰ প্ৰতিটো বিভাগৰ কৰ্মচাৰীয়ে এদিনৰ মূল দৰমহা ক'ভিড-১৯ টীকাকৰণ অভিযানৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্যপুঁজি / অসম আৰোগ্য নিধিলৈ বৰঙনি হিচাপে আগবঢ়াব। সদৌ অসম কৰ্মচাৰী পৰিষদে ৰাজ্য চৰকাৰৰ ক'ভিড টীকাকৰণক জন আন্দোলনলৈ ৰূপান্তৰিত কৰা প্ৰয়াসৰ প্ৰতি সঁহাৰি জনাই এই বৰঙণি আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীক অৱগত কৰে।

মুখ্যমন্ত্ৰীয়ে পৰিষদৰ এই সিদ্ধান্তক আদৰণি জনায়। ইয়ে ক'ভিড টীকাকৰণক জন আন্দোলনলৈ ৰূপান্তৰিত কৰাৰ দিশত ইতিবাচক প্ৰভাৱ পেলাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই সাক্ষাতকালৰ সময়ত সদৌ অসম কৰ্মচাৰী পৰিষদৰ মুখ্য উপদেষ্টা বাসৱ কলিতা, সভাপতি প্ৰদীপ দত্ত, উপ সভাপতি দ্বীপেন শৰ্মা, ভাৰপ্ৰাপ্ত সম্পাদক প্ৰধান শ্যামন্ত দাস আৰু কোষাধ্যক্ষ অৰবিন্দ দাস উপস্থিত থাকে।

**পুঃডেঃ / বীঃগঃ**
**২৪/০৫/২০২১**